# **REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 25-01-2026 **Time :** 0755 Hrs.

০০০০০০০

কাইলৈ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যৰ আটাইকেইখন জিলাতে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। জিলা সদৰ সমূহত কুছকাৱাজৰ অনুশীলন কৰি থকা হৈছে। গুৱাহাটীৰ খানাপাৰত থকা অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচী উদযাপন কৰা হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ৯ বজাত গণৰাজ্য দিৱসৰ পতাকা উৰুৱাব। ইতিমধ্যে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত ২৪টা দলে কুছকাৱাজৰ অনুশীলন অব্যাহত ৰাখিছে। এইবেলি মিজোৰাম আৰক্ষীৰ এটা দলেও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। ডিব্ৰুগড় জিলাতো গণৰাজ্য দিৱসৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে। জিলাখনৰ খনিকৰ খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই পতাকা উৰুৱাব। ইয়াৰ বাবে দিনে-নিশাই প্ৰস্তুতি চলাই থকা হৈছে। টিংখাং সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ উদ্যোগত মৰাণ ক্ৰীড়া প্ৰকল্প, অভয়পুৰৰ খেলপথাৰত গণৰাজ্য দিৱস উদযাপনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। গণৰাজ্য দিৱস উপলক্ষে জিলাখনত আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

০০০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যাত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক উদ্দেশ্যি ভাষণ দিব। সন্ধিয়া ৭ বজাৰ পৰা এই ভাষণ আকাশবাণীৰ সকলো নেটৱৰ্ক আৰু দূৰদৰ্শনৰ সকলো চেনেল যোগে সম্প্ৰচাৰ কৰা হ'ব। দূৰদৰ্শনত হিন্দী আৰু ইংৰাজীত এই ভাষণ প্ৰচাৰৰ পাছতে আঞ্চলিক ভাষাতো এই ভাষণ প্ৰচাৰ কৰা হ'ব। ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ আকাশবাণী গুৱাহাটীয়ে নিশা চাৰে ন বজাত প্ৰচাৰ কৰিব।

০০০০০০০

অসমৰ দুশবছৰীয়া চাহ উদ্যোগৰ অনন্য অৱদানৰ স্বীকৃতিস্বৰূপে আজি মুখ্যমন্ত্ৰীৰ 'এটি কলি দুটি পাত' আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। তিনিচুকীয়া জিলাৰ ডুমডুমাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। আঁচনিখন মুকলি কৰাৰ পূৰ্বে এই অনুষ্ঠানতে দিনৰ ১১ বজাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন কী বাত' অনুষ্ঠানটি সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হ'ব। 'এটি কলি দুটি পাত' আঁচনিৰ অধীনত ৰাজ্যৰ ৮৩৬ খন চাহ বাগিচাৰ ৬ লাখৰো অধিক শ্ৰমিক আৰু কৰ্মচাৰীক ৫ হাজাৰ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হ'ব। ৰাজ্যৰ প্ৰতিখন জিলাতে আয়োজিত বিশেষ কাৰ্যসূচীত মন্ত্ৰী তথা বিধায়কসকলে এই আঁচনিৰ অধীনত আৰ্থিক সাহায্য বিতৰণ কৰিব।

০০০০০০০

২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ লিখিত পৰীক্ষা অহা ১০ৰ পৰা ২৭ ফেব্ৰুৱাৰীলৈ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ লিখিত পৰীক্ষাসমূহ ২৭ জানুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। খানাপাৰাৰ

জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত কালি অনুষ্ঠিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাকেন্দ্ৰ তত্বাৱধায়ক আৰু সহকাৰী তত্বাৱধায়কৰ অৰিয়েণ্টেছন কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭ হাজাৰ ৩৫৫ খন বিদ্যালয়ৰ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৩ হাজাৰ ১০৩ খন শিক্ষানুষ্ঠানৰ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। মুখ্যমন্ত্ৰীয়ে পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে বিদ্যালয় শিক্ষা বিভাগৰ নীতি-নিয়ম মানি চলি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট সকলোকে আহ্বান জনায়।

**বাইট (চি এম)**

ড০ শৰ্মাই অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ বাবে শিক্ষানুষ্ঠানসমূহৰ অধ্যক্ষ, প্ৰধান শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীসকলক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, বিদ্যালয় শিক্ষা বিভাগৰ আয়ুক্ত সচিব নাৰায়ণ কোঁৱৰ, অসম ৰাজ্যিক বিদালয় শিক্ষা পৰিষদৰ অধ্যক্ষ আৰ চি জৈনকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ ৰহমৰীয়াৰ অকলেণ্ড ব্ৰহ্মপুত্ৰৰ বালি চাপৰিত আজিৰে পৰা অকলেণ্ড পৰিৱেশ পৰ্যটন আৰু সাংস্কৃতিক মহোৎসৱ অনুষ্ঠিত হৈছে। অহা ৩১ জানুৱাৰীলৈ হ'বলগীয়া এই মহোৎসৱ সফল কৰি তুলিবলৈ আয়োজকসকলে সকলো ধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিছে। ৰহমৰীয়া অঞ্চলৰ গ্ৰাম্য পৰ্যটনৰ বিকাশ, অৰ্থনৈতিক উন্নয়ন, জনগোষ্ঠীয় সাংস্কৃতিক বিকাশ, পৰিৱেশ অনুকূল আৰু বহনক্ষম কৃষি প্ৰণালীৰ উত্তৰণৰ উদ্দেশ্য আগত ৰাখি এই মহোৎসৱৰ আয়োজন কৰা হৈছে। আজি অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই পতাকা উত্তোলনেৰে মহোৎসৱৰ শুভাৰম্ভ কৰিব। দিনৰ ভাগত অসম ভিত্তিক বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ লগতে সন্ধিয়া বিভিন্ন শিল্পীৰ দ্বাৰা সংগীতানুষ্ঠানৰো আয়োজন কৰা হৈছে।

০০০০০০০

**সমাপ্ত**